# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL BULLETIN***
**::::::::::::::::::::::::::::::::::**

## Headlines

সমাগত লোকসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ লগতে কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা, দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশী, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীসোণোৱালে নাহৰকটীয়া নগৰ সমিতিৰ কাৰ্যালয়ৰ সমীপত অনুষ্ঠিত এখন সভাত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মেৰাপানীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিজেপি প্ৰাৰ্থী তাছাই অহা ২৭ মাৰ্চত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি মন্ত্ৰী শ্ৰীমতী নেওগে প্ৰকাশ কৰে। দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে ওদালগুৰিত নিৰ্বাচনী প্ৰচাৰ চলায়। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে আজি তিনিচুকীয়া জিলাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটী আৰু বিৰোধী ঐক্যমঞ্চৰ এখন যৌথ সভাত অংশগ্ৰহণ কৰি শ্ৰীগগৈয়ে ডিব্ৰুগড়ত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰ, প্ৰাক্তন বিধায়ক ৰাজু চাহু আৰু দুৰ্গা ভূমিজ উপস্থিত থাকে। ইপিনে, অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৱে আজি মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে তেজপুৰৰ জয়মতী পথাৰৰ পৰা দলীয় কৰ্মী আৰু সমৰ্থকক লৈ শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ হাতত আনুষ্ঠানিকভাৱে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীগঞ্জুক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে সহযোগ কৰে। যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে আজি টীয়ক মণ্ডলৰ উদ্যোগত জাঁজীমুখত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।আনহাতে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোলাঘাট জিলাৰ বোকাখাতত মিচিং জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনাত মিলিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ অগপ প্ৰাৰ্থী জাভেদ ইছলামে আজি বিলাসীপাৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। শিৱসাগৰ জিলাতো প্ৰশাসনে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰীসকলৰ বাবে প্ৰশিক্ষণ আয়োজন কৰিছে। জিলাখনত অনুষ্ঠিত তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণত ৬৪ গৰাকী মাণ্ডলিক আৰু খণ্ড বিষয়াৰ লগতে ৫৪ গৰাকী আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰে। জিলাখনত প্ৰথম পৰ্যায়ত প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। আনহাতে,

দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত পোলিং বিষয়াৰ প্ৰশিক্ষণ দিয়া হৈছে। আজি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত  আদিত্য বিক্ৰম যাদৱ সমল ব্যক্তিৰূপে উপস্থিত থাকে। ইপিনে, তামুলপুৰ জিলাৰ নাগ্ৰিজুলীত আজি লোকসভা নিৰ্বাচন সন্দৰ্ভত জিলা বিজেপিৰ এখন কৰ্মশালা অনুষ্ঠিত হয়।

০০০০০

অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিৰ উদ্যোগত আৰু জীৱ সুৰক্ষা অসম, নীডচ যোৰহাট আৰু নৰ্থ ইষ্ট ইণ্ডিয়া ৱাটাৰ টক্‌চৰ সহযোগত আজি মাজুলীত বিশ্ব জল দিৱস উদযাপন কৰা হয়। জল দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতাৰ বিশেষ কাৰ্যসূচীৰ লগতে মুকলি আলোচনা, চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত লোকসভা নিৰ্বাচন বিষয়ক অনুষ্ঠান দৃষ্টিপাত **লোক নিৰ্ণয়-২০২৪** প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক পাৰ্থ গোস্বামী আৰু নৰেশ কলিতাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

যোৰহাটৰ বিশিষ্ট শিক্ষাবিদ তথা সংগীত শিল্পী পৰশমণি মহন্তৰ আজি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ।

০০০০০

ঃসমাপ্তঃ